অলিম্পিক অথবা নহয়। ইয়াত কাম নে চলে।
পৰিনামতে এথেন্সতই ১৮৯৬ ইং আধুনিক অলিম্পিক খেলৰ আয়োজন কৰা হোল।
© 2000 Chandamama. All rights reserved
অলিম্পিকৰ প্ৰথম খেলৰ প্ৰচাৰ কাৰ্য্য ভাল বাবে হোয়া নাই। কিন্তু য়ুনানৰ এজন ধনী ব্যাক্তিয়ে স্টেডিয়ামৰ মেৰামতৰ কাৰনে ৯২০,০০০ স্বৰ্ন মুদ্ৰা দিলে।
স্টেডিয়ামৰ কাৰনে হোল। এতিয়া সাঁতোৰাৰ পুলৰ (চুইসিং পুল) কাৰনে কোনে দিব?
প্ৰথম আধুনিক অলিম্পিক খেলটো অলিম্পিক গানৰ দ্বাৰা আৰম্ভ হোল যি য়ুনানী কবি লাউৰেট কোস্টিস্ট চালামাজৰ দ্বাৰা লিখিত আৰু সাইকাজ সমাৰান ইয়াৰ সঙ্গীত দিয়াছিলে।
মৈ ভাবিয়াছিলো, অলিম্পিক সমাপ্ত হোল।
কিন্তু এই লবা বিলাগে দেৱা দেৱতাক হৈৰাই দিয়া
ভাল খেলিছে !!
আৰু এবাৰ !
আকৌ !!
দিব লগিয়া আছে প্ৰথম অলিম্পিকৰ প্ৰথমগৌৰব আমেৰিকাৰ জেমস কেনোলী তিনিটা দীঘল জাপ মাৰি বাবে পাইছিল।
হে ভগবান। সিও কেনেকোয়া জাপ মাৰি থাকে 'আৰু মৈ কেবল মাত্ৰ' জমিনদাৰৰ উপৰত জাপ মাৰি পাইছিল।

© 2000 Chandamama. All rights reserved

© 2000 Chandamama. All rights reserved

© 2000 Chandamama. All rights reserved

c 2000 Chandamama. All rights reserved

© 2000 Chandamama. All rights reserved

© 2000 Chandamama. All rights reserved

c 2000 Chandamama All rights reserved

# অলিম্পিক প্ৰশ্নোত্তৰ

১. সি কোনে প্ৰথম পুৰষজনে আছিল যি এক মিনিটৰ ভিতৰত ১০০ মিটাৰ সাতোবিয়াইছিল।

২. ১৯৩৬ ইং বাৰ্লিন অলিম্পিকত প্ৰথম বাৰ ভি.ডি.ও. ৰেকৰ্ডিং যোনে কৰিছিল তেঁওৰ নামটু কি?

৩. অস্ট্ৰেলিয়াৰ সেই খেলু ৰৈটোৰ নাম কোয়া, যি নিৰ্দিষ্ট সময়ৰ মাজত ১৫০০ মিটাৰ দৌৰী 'হিউমেন ডিয়ৰ' (মানুহ হৰীনা) উপাধি লাভ কৰিছিল।

৪. সি কোনে ৬৫ বছৰৰ ব্যক্তি আছিলে যি নিচানা বাজী প্ৰতিযোগীত অংশ-গ্ৰহন কৰি নিজৰ দেশৰ কাৰনে স্বৰ্ন-পদক লাভ কৰিছিলে।

৫. ভাৰতীয় হকি দল কেতিয়া প্ৰথমবাৰ স্বৰ্ন-পদক লাভ কৰিছিল আৰু কেতিয়া পৰাজিত হৈছিল।

৬. অলিম্পিকৰ জ্যোতি মশালটো এজন খেলুৰৈৰ পৰা আৰু এজনৰ হাতলৈ আগ বঢ়াই থকা হয়। আৰু এই ভাবে অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰ অলিম্পিক মশালটো চুৰি হৈছিল। সেইটো কোন অলিম্পিকত হৈছিলে?

৭. আটলান্টা অলিম্পিক ১৯৯৬ ইং-অলিম্পিকৰ পুৰস্কাৰৰ যি পদক সকল দিয়া হৈছিল তাৰ ভিন্নতা (পদক) বেলেক পুৰস্কাৰৰ পৰাকি কি আৰু কেনেকোয়া আছিল?

৮. মাৰ্ক সিপজ কিহৰ কাৰনে অলিম্পিক খ্যাতি লাভ কৰিছিলে?

৯. এক মাত্ৰ ব্যক্তি কোন ব্যক্তি আছিল, যি ওখ (সৰ্বোচ্চ) জাপ মাৰি ২৮ মটৰৰ এটা ৰেকৰ্ড কৰিছিল। তেওঁ, প্ৰথম জাপটুমাৰি ছিলে ২৯ ফিট্ ২ ১/২ ইঞ্চি ওখতে।

১০. সি কোন ভাৰতীয় হয়সি চিৰদিনৰ কাৰনে অলিম্পিক পদকটো লাভ কৰিছিল আৰু কোন খেলৰ বাবে।

উত্তৰ

১. য়ু, এচ, এ-ৰ জনি উইচমুলাৰ।

২. ১৯৩৬ ইং বাৰ্লিন অলিম্পিকত্ প্ৰথম বাৰ ডি,ডি,ও ৰেকাৰ্ডিং যোনে কৰিছিল তেঁওৰ নামটু কি?

৩. অস্ট্ৰেলিয়াৰ সেই খেলুৰৈটোৰ নাম কোয়া যি নিৰ্দিষ্ট সময়ৰ মাজত ১৫০০ মিটাৰ দৌৰী 'হিউমেন ডিয়ৰ' (মানুহ হৰীনা) উপাধি লাভ কৰিছে।

৪. সুইশভ লক্ষ্যাবাজ ৬৫ বছৰীয়া আস্কৰ চুয়েন 'ৰানিং ডীয়ৰ'' প্ৰতিযোগীতত অংশ গ্ৰহন কৰি ১৯১২ ইং স্কাটলোম অলিম্পিকত স্বৰ্ণ-পদক লাভ কৰিছিল।

৫. ভাৰতৰ হকী দলটোয়ে ১৯২৮ ইং আমস্টেৰ্ডৰ্ম অলিম্পিকত প্ৰথম স্বৰ্ণ-পদক লাভ কৰে আৰু এটা বিৰাঠ দুৰত্বৰ পাছত ১৯৬০ ইং ৰোমৰ অলিম্পিকত প্ৰথম বাৰ স্বৰ্ণ-পদকটো হেৰালে।

৬. অলিম্পিক মশাল বাৰ্সিলোনা অলিম্পিকত ১৯৯২ ইং চুৰি কৰা হৈছিলে।

৭. আটলান্টা অলিম্পিকৰ দিয়া পদক বিলাগকত আৰু এটা খেলৰ চিত্ৰৰ বাবে পদকদিয়া হৈছিল আৰু দ্বিত্বীয় ফালে অলিম্পিকৰ (চিহ্ন) পাচটা গোল চিত্ৰ অংকিত আছিল। আগতে এনেকোয়া নে আছিল।

৮. মাৰ্ক স্বিজ কিহৰ কিহৰ কাৰনে অলিম্পিক খ্যাতি লাভ কৰিছিল।

৯. সি কোন ব্যক্তি আছিল, যি ওখ (সবেৰ্বাচ্চ) জাপ মাৰি ২৮ মিটৰ এটা ৰেকৰ্ড কৰিছিল। তেওঁ, প্ৰথম জাপটুমাৰি ছিলে ২৯ ফিট্ ২ ১/২ ইঞ্চি ওখতে।

১০. সি কোন একমাত্ৰ ভাৰতীয় হয় যি চিৰ দিনৰ কাৰনে অলিম্পিক পদকটো লাভ কৰিছিল। কোন খেলখনৰ বাবে।

Visit www.schoolnetindia.com

# চিত্ৰ - প্ৰশ্নত্তোৰ

1

2

3

4

এই বোৰ হৰবৰহী
অলিম্পিকৰ খেলৰ বাবে আপোনি চিনাক্ত
কৰিব পাৰিব নে?

*উত্তৰ : বেলেক পাতখনত*

## মস্কট - প্ৰতিযোগীতা

বিভিন্ন দেশৰ জাতীয় প্ৰতাকা চিনাক্ত কৰিবা পাৰিবা নে । তেনেহলে কিয় অপেক্ষা কৰি আছে, আগ বাঢ়ি আহক আৰু চিনাক্ত কৰক তলত দিয়া মস্কট অলিম্পিকৰ স্বৰূপতা । আপুনি জানে নে কোন অলিম্পিক খেলখনৰ পৰা এই চিত্ৰবোৰ লোৱা হৈছে । সেই দেশৰ ৰাষ্ট্ৰীয় পতাকাৰ লগত মিলাই চাওক বা মিল কৰি দিওক ।

*উত্তৰ : বেলেক পাতখনত*

Visit www.schoolnetindia.com

## ৰাস্তা বিচৰা

অমিত অলিম্পিক মশালটো প্রজ্বলিত কৰিবাৰ সুযোগ পালে। কিন্তু ক্রমাগত খেলা চলি থকাৰ কাৰণে সি নিজৰ পথ হেৰালে।

আপেনি তাক সাহায্য কৰিবা পাবিব নে, মশালটোত জুই লগাইৰ বাবে ?

© 2000 Chandamama. All rights reserved

Visit www.schoolnetindia.com

উত্তৰ

**খটনাৰ বাবে চিত্র**

১. দৌৰ পতিযোগীতা

২. স্প্রিন্ট

৩. জিমনাস্টিক তলৰ ব্যায়াম বিলাক

৪. ওখ জাপ

**সচা সংযুক্ত কৰক**

১. বালডি, কুকুৰ - মাস্কটৰ ১৯৭৬ ইং আলিম্পিকৰ মন্ট্রিয়ল, কাণাডা।

২. কোবি, মেকুৰী - মস্কঠৰ ১৯৯২ ইং অলিম্পিকৰ বাৰ্চিলোনা, স্পেইন।

৩. হদবী, বাঘ - ১৯৮৮ ইং আলিম্পিকৰ চীওৱেল, দক্ষিণ কোৰিয়া।

৪. ওলী, খকোবুৰ্ৰা, মাইলী এচিগুা আৰু সীড - প্লেটিবাস - ২০০০ ইং আলিম্পিক অনুষ্ঠিত হয় লগিয়া হৈছে, সীডনীতা।

৫৪ যুদ্ধৰ আগৰ দিন

# মহাভাৰত

ভীমে সবোতকৈ আগত যুদ্ধ আৰম্ভ কৰে। সিংহনাদ কৰি কৰি ভীমবিক্ৰমে তেখেতে কৌৰবসৈন্য সকলৰ ওপৰত জঁপিয়াই পৰে । দুৰ্যোধন, দুঃশাসন, দুৰ্মুখ আৰু বহুতো কৌৰববীৰ একে লগ হৈ ভীমক ঘিৰি ধৰে । সিহঁতৰ সন্মুখত আহি থিয় হয় উপপাণ্ডৱ, অভিমন্যু, নকুল, সহদেব, ধৃষ্টদ্যুম । লাহে লাহে যুদ্ধ চাৰিওফালে আৰম্ভ হৈ যায় ।

ভীষ্ম আৰু অৰ্জুনৰ মাজত প্ৰথমতে দ্বন্দ্বযুদ্ধ হয় । দুয়ো নিজৰ নিজৰ সাহসৰ বৰ পৰিচয় দিয়ে । সত্যকীয়ে কৃতবৰ্মাৰ লগত, অভিমন্যুই কোশলৰাজে বৃহদবলৰ লগত, ভীমে দুৰ্যোধনৰ লগত, দুঃশাসনে নকুলৰ লগত, দুৰ্মুখে সহদেবৰ লগত, যুধিষ্ঠিৰে শল্যৰ লগত, ধৃষ্টদ্যুম্নই দ্ৰোনৰ লগত, ধৃষ্টকেতুই বাহ্লিকৰ লগত, ঘাটোৎকচে অলম্বুসৰ লগত, চিখণ্ডীয়ে অশ্বত্থামাৰ লগত, বিৰাটে ভগদত্তৰ লগত আৰু দ্ৰুপদে সৈন্ধবৰ লগত দ্বন্দ্ব যুদ্ধ আৰম্ভ কৰে । কিন্তু সিঁহতৰ মাজত কোনেও পৰাজিত হোৱা নাই। এই যুদ্ধ দেখিব লগীয়া ।

তাৰপাছত দুয়োদলৰ মাজত যুদ্ধ আৰম্ভ হৈ যায় । ভীষ্মৰ প্ৰতাপ আৰু বীৰত্ব দেখি সকলোৱে আচৰিত হৈ যায় । ঠিক দুপুৰীয়া সময়ত ভীষ্মই পাণ্ডৱসেনাদলৰ ভিতৰত সুমায় । তেঁখেতক বচোঁৱাৰ বাবে দুৰ্মুখ, কৃতবৰ্মা, কৃপাচাৰ্য, শল্য আৰু বহুতো তেঁখেতৰ লগত থাকে । অভিমন্যুই লক্ষ্য কৰিলে যে, ভীষ্মই পাণ্ডৱসকলৰ সৈন্য





সংহাৰ কৰি আছে, তেতিয়া তেঁখেতে বৰ খণ্ডত তেঁখেতক গৈ আক্ৰমন কৰি তেঁখেতৰ পতাকাৰ লাঠিটি ভাল ভাঙি পেলায় আৰু তেখেঁতৰ লগত যিসকল বীৰ আছিল সিহঁতক হত্যা কৰে। সেই যুদ্ধ দৰ্শন কৰি মানুহে চিন্তা কৰি থাকে যে, অৰ্জুনৰ যুদ্ধ কলাকও বিনাশ কৰি দিব অভিমনুই। অভিমন্যুক সহায়ত কৰিবলৈ ভীম, বিৰাট আৰু তেখেঁতৰ পুত্ৰ, সাত্যকী, ধৃষ্টদ্যুম্ন আৰু দহজন যোদ্ধাই তালৈকে যায়।

উত্তৰে এটা হাতীৰ ওপৰত উটি শল্যৰ লগত যুদ্ধ কৰিবলৈ আহে, কিন্তু সেই যুদ্ধত আহত হাতীৰ ওপৰৰ পৰা তলত মাটিত পৰি যায়। সেয়া দেখি উত্তৰৰ ভায়েক শ্বেত একেলগে সাতজন কৌৰব যোদ্ধাৰ সম্মুখীন হয়। সেই যুদ্ধত শল্যই অলপৰ বাবে মৃত্যুৰ হাতৰ পৰা বাঁচি যায়। কিন্তু ভীষ্মৰ আক্ৰমনৰ পৰা শ্বেতক ৰক্ষা কৰিবৰ বাবে পাণ্ডৱসকলৰ ভয়ানক যুদ্ধ কৰিব লগা হয়। ইয়াৰ পৰিনামত দই পক্ষৰ মাজত ভয়ানক যুদ্ধ হয়। শ্বেতই আন কৌৰব যোদ্ধাসকলক যুদ্ধত হেৰুৱাই ভীষ্মৰ লগত যুদ্ধ কৰে। সেই সময়ত যদি শ্বেতই ভীষ্মক বাধা নিদিলে হেঁতেন তেনেহ'লে ভীষ্মই পাণ্ডৱসকলক অধিকাংশ সৈন্যাই সমাপন কৰি দিলে হয়। শ্বেতই তেখেঁতৰ পৰাক্ৰমৰ পৰিচয় দি শেষতে ভীষ্মক ও যুদ্ধ ক্ষেত্ৰৰ পৰা পিছুৱাই যাবলৈ বাধ্য কৰে। এই বোৰ পৰিদৰ্শন কৰি পাণ্ডৱসকলে হাঁহি ওঠে।

ভীষ্মই পিছুৱাই গলে শ্বেতই ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলৰ ওচৰত গৈ পায়। কৌৰবসেনা বিনাশ হৈ গৈ আছে দেখি ভীষ্মই আকৌ শ্বেতৰ ওচৰত গুচি আহে। ভীষ্মক সহায়তা কৰিবৰ বাবে আটজন কৌৰব যোদ্ধা আহি একেলগে শ্বেতৰ ওপৰত তীৰ মৰিবলৈ আৰম্ভ কৰে। তথাপি শ্বেতই সকলৰ লগত যুদ্ধ কৰি ভীষ্মক ব্যস্থ কৰি তোলে। সিঁহতৰ যুদ্ধ দেখি এনে লাগিছে যেনে ভীষ্মই শ্বেতৰ লগত পৰাজিত হব। সেই যুদ্ধত শ্বেতৰ ৰথ ভাঙি যায়। ভীষ্মক বধ কৰিবৰ বাবে শ্বেতই গদা লৈ তেঁওৰ ৰথৰ ফালে আহে। শ্বেতৰ গদাৰ আঘাতত ভীষ্মৰ ৰথ ভাঙি যায়। ভীষ্মই জানিছিল যে তেঁওৰ ৰথ ভাঙিব, তাৰবাবে তেঁও প্ৰস্তুত হৈ আছিল। ভঙা ৰথৰ পৰা নামি আন এটা ৰথত উঠি শ্বেতক আকৌ আক্ৰমন কৰে।

শ্বেতই তেঁওৰ নিজৰ ৰথ হেৰুৱাই মাটিৰ ওপৰত থিও হৈ যুদ্ধ কৰি থাকে। সেয়া দেখি

সাত্যকী, ভীম, অভিমনুই তেঁওক সহায় কৰিবলৈ আহে । কিন্তু ভীষ্মই সিহঁতৰ সকলৰ ৰথ দূৰত ৰখাই দিয়ে । তাৰপাছত ভীষ্মই এখন বান প্ৰয়োগ কৰি শ্বেতক বধ কৰে । শ্বেত ৰাজোচিত নাছিল, পাণ্ডবসকলৰ অদক্ষ সেনাপতিসকলৰ মাজত এজন আছিল । কিন্তু তেওঁৰ মৃত্যুত পাণ্ডবসকলৰ মনত বৰ দুখ লাগে আৰু কৌৰবসকলে বৰ খুচি হয় । দুৰ্যোধনে যুদ্ধৰ বাজনাৰ লগত নাচিবলৈ আৰম্ভ কৰি দিয়ে।

শ্বেতৰ দেহান্ত হলে তেঁওৰ ডাঙৰ ভাইয়েক সঙ্খই বৰ ক্ৰদ্ধ হয় । কৃতবৰ্মাৰ লগত তেতিয়া আছিল শল্য, তেওঁৰ লগত যুদ্ধ কৰিবৰ বাবে গুচি আহে । সেয়া দেখি সাতজন কৌৰব যোদ্ধাই সঙ্খৰ ওপৰত জপিয়াই পৰে । সেই সময়ত শংখক সহায়তা কৰিবৰ বাবে অৰ্জুনে দৌড়ি আহে । শল্যাই সংখৰ ৰথ ভাঙি দিয়ে, শংখই তেতিয়া অৰ্জুনৰ ৰথত গৈ ওঠে ।

ভীষ্মই অৰ্জুনক এড়ি থৈ দ্ৰুপদ ৰজাৰ ফালে আগুৱাই যায়, তীৰ বৰোহন কৰি দ্ৰুপদৰ সৈন্যসকলক বিনাশ কৰিবলৈ আৰম্ভ কৰে । সেই সময়ত ভীষ্মৰ যুদ্ধ দেখি পাণ্ডব যোদ্ধা সকলে ভয়ত কঁপি ওঠে । তেঁখেতৰ সম্মুখীন হৈযুদ্ধ কৰাটো পাণ্ডবসকলৰ বাবে যেনে অসম্ভব লাগে ।

সূৰ্যাস্ত হলে দুয়োপক্ষৰ লোকসকলে যুদ্ধ বন্ধ কৰি নিজৰ নিজৰ শিৱিৰত গুচি যায় । ভীষ্মই যেনেকে ভয়ংকৰ যুদ্ধ কৰিছে তাৰবাবে দুৰ্যোধনে বৰ খুচি হৈছে । কিন্তু আনফালে, প্ৰথমদিনত নিজৰ সেনাবাহিনীৰ ক্ষতি দেখি যুধিষ্ঠিৰৰ মনত বৰ দুখ লাগে । তেঁখেতে কৃষ্ণৰ আগত গৈ ক'লে, "কৃষ্ণ, আজি ভীষ্মই কেনেকুৱা ভয়ংকৰ যুদ্ধ কৰি আমাৰ সেনাবাহিনীক বিনাশ কৰিলে । কোনে ভীষ্মক পৰাজিত কৰিব পাৰিব?

তেঁখেতৰ বিৰোধীতা কৰি মই মূৰ্খৰ দৰে ব্যৱহাৰ কৰিছো । হে কৃষ্ণ, আমি বন জংগলত গৈ আৰামত জীৱন যাপন কৰিব পাৰিম । তাৰ ফলত উপস্থিত সকলো ৰজাক মৃত্যুৰ হাতৰ পৰা বঁচাবলৈ, সক্ষম হ'ম । ৰাজ্যৰ আশাই মোক এই অৱস্থাত আনি দিছে। মোৰ সৰু ভাই সকলে কমবেছি আহত হৈছে । মই গোটেই জীৱন তপস্যা কৰিম । মোক ক'ওক এতিয়া মোৰ কি কৰ্তব্য? যুদ্ধত থাকি অৰ্জুনে তটস্থ হৈ থাকে । অকল ভীমে একান্তমনত যুদ্ধ কৰি থাকে । যেনে লাগিছে, ভীষ্মৰ হাতত আমি সকলোৰে মৰিব লগিয়া আছে ।"

যুধিষ্ঠিৰক সান্ত্বনা দি কৃষ্ণই কলে, "এইবোৰ চিন্তাকৰি তোমাৰ ভয়ৰ কোনো প্ৰশ্নই নুঠে । তোমাৰ ভায়েকে ত্ৰিলোকক পৰাজিত কৰিবৰ শক্তি ধৰিছে । সাত্যকী, বিৰাট, দ্ৰুপদ, ধৃষ্টদ্যুম্নৰ নিচিনা মহাৰথী সকলে তোমাৰ দলত আছে । ইয়াৰ পাছতও চিন্তা কৰিবৰ কি কাৰন আছে? ভীষ্মক বধ কৰিবৰ বাবেই তো শিখণ্ডীৰ জন্ম ।"

ইয়াৰ পাছত ধৃষ্টদ্যুম্নক যুধিষ্ঠিৰে ক'লে, "কৃষ্ণই মোক আদেশ কৰিছে তোমাক সেনাপতি কৰিবৰ বাবে । কৌৰব বাহিনীক তোমিই বিনাশ কৰিব লাগিব । আমি সকলোৱে তোমাৰ সহায়তাত আছো ।"

ইয়াৰ উত্তৰত ধৃষ্টদ্যুম্নই ক'লে, "ৰাজন, দ্ৰোনক বধ কৰিবৰ বাবে মোৰ জন্ম । ভীষ্ম, দ্ৰোন, কৃপ, শলয় আৰু বাকী যোদ্ধা সকলৰ মূখামুখি হ'ম মই ।"

"মই শুনিছো যে, ক্ৰৌঞ্চ-বৃহই শত্ৰুনাশ কৰে । দেৱতা আৰু ৰাক্ষস সকলৰ যুদ্ধৰ সময়ত ইন্দ্ৰই এই বৃহ্যৰ কথা বৃহস্পতিক কৈছিলে । এই ব্যূহ ৰচনা সকলোৱে নেজানে। আহাকালি আমাৰ সৈন্যসকলৰ ক্ৰৌঞ্চ-ব্যূহ ৰূপত সজাইদিব ।" যুধিষ্ঠিৰে ক'লে ।

পাছদিনাখন ৰাতিপুৱা হোৱাৰ লগে লগেই পাণ্ডৱসৈন্য সকলে ক্ৰৌঞ্চ ব্যূহ বনায়। সিহঁতৰ আগত আছিল অৰ্জুন । তাৰপাছত বৃহৰ আগত সৈন্যৰ লগত আছিল দ্ৰুপদে । যুধিষ্ঠিৰ আছিল শেষত নেজৰ ফালে । ভীম আৰু ধৃষ্টদ্যুম্নই পাখিৰ ঠাইত । বেলি উঠাৰ অগতেই বৃহ-ৰচনা কৰি যুদ্ধৰ বাবে সাজুৱা হয় ।

পাণ্ডৱসকলৰ ক্ৰৌঞ্চ -বৃহ লক্ষ্য কৰে ভীষ্ম, দ্ৰোন, দুৰ্যোধনে একেলগ হৈ তাৰ প্ৰতিলিপি ৰচনা কৰে । নিজৰ যোদ্ধা সকলক বৃহৰ বেলেগ বেলেগ ঠাইত ৰখা হয় । দুই



পক্ষৰ সৈন্যদলে শংখ, ডেৱী আদি বাজনা বজাই যুদ্ধৰ বাবে উৎসাহ লৈ প্ৰস্তুত হৈ যায়।

যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভীষ্ম, অভিমন্যু, ভীম, অৰ্জুন, বিৰাট আৰু ধৃষ্টদ্যুম্ন ই পাণ্ডৱ যোদ্ধাসকলৰ বিৰুদ্ধে বান মাৰিবলৈ আৰম্ভ কৰে । অৰ্জুনে খণ্ডত কৃষ্ণক কলে তেঁওৰ ৰথ ভীষ্মৰ ফালে আগুৱাই লৈ যাবলৈ। ভীষ্মক বধ কৰিবৰ বাবে নিশ্চিন্ত সংকল্প গ্ৰহন কৰে অৰ্জুনে । কপিধবজাৰ লগত আৰো বহুতো ধবজা একেলগে অৰ্জুনৰ ৰথ ভীষ্মৰ ৰথৰ ফালে আগবাঢ়ি যায়। যোৱাৰ পথত অসংখ্য কৌৰব সৈন্য বধ কৰি গৈ থাকে অৰ্জুনে ।

এয়া লক্ষ্য কৰি ভীষ্মই নিজে অৰ্জুনৰ আগত আহে । তেঁখেতৰ ৰক্ষাৰ বাবে আছে সৈন্ধব আৰু বহুতো কৌৰব বীৰ । ভীষ্মৰ লগে লগে দ্ৰোন, কৃপ, দুৰ্যোধন, শল্য, অশ্বত্থামা, বিকৰ্ন আৰু বহুতে একেলগে অৰ্জুনৰ ওপৰত তীৰ মাৰি থাকে । তীৰৰ আঘাতত অৰ্জুনে আহত হৈ পৰে, কিন্তু দ্বিগুন উৎসাহ লৈ প্ৰতিপক্ষক জখম কৰি দিয়ে । তেতিয়া অৰ্জুনৰ সহায়তাৰ বাবে তাত গুচি আহে সাত্যকী, বিৰাট, ধৃষ্টদ্যুম্ন, উপপাণ্ডব আৰু অভিমনুই । দ্ৰোনৰ আক্ৰমনত পৰা অৰ্জুনক মুক্ত ৰাখিবৰ বাবে দ্ৰুপদে দ্ৰোনৰ বিৰুদ্ধে আক্ৰমন আৰম্ভ কৰে। তেতিয়া অৰ্জুনে বীৰযোদ্ধা শত্ৰু সকলৰ মাজত গৈ যুদ্ধ আৰম্ভ কৰে ।

সেই সময়ত দুৰ্যোধনে ভীষ্মৰ আগত গৈ ক'লে, "অৰ্জুনে আমাৰ সৈন্যবাহিনীৰ সৰ্বনাশ কৰি দিছে । আপোনাৰ বাবেই কৰ্নই শপথ কৰিছে যে আপোনিয়ে যেতিয়ালৈকে যুদ্ধ ক্ষেত্ৰত থাকিব তেতিয়ালৈকে সি অস্ত্ৰ নধৰে । সি থাকিলে কিমান ভাল হ'ল হয় । কিন্তু সি নাই । তাৰবাবেই অৰ্জুনক বধ কৰিবৰ বিষয়ে আপুনিকেই চিন্তা কৰিব লাগিব ।"

দুৰ্যোধনৰ মুখত এনেকোৱা কথা শুনি ভীষ্মই খঙত ক'লে, "ছিঃ তোমাৰ এয়া কেনেকুৱা ক্ষত্ৰিয় ধৰ্ম?" ইয়াৰ পাছত ভীষ্মই অৰ্জুনৰ ৰথৰ আগত আহে । লগে লগেই ভীষ্মক সহায়তাৰ বাবে কৌৰব যোদ্ধা সকলে তাত আহে আৰু অৰ্জুনৰ সহায়তাৰ বাবে পাণ্ডব বীৰ সকলে একেলগ হৈ যায় । তেতিয়া ভীষ্ম আৰু অৰ্জুনৰ মাজত যুদ্ধ আৰম্ভ হৈ যায় । দুই পক্ষ যুদ্ধ কৰি থাকে । আক্ৰমন আৰু প্ৰতি আক্ৰমনৰ পৰা নিজক ৰক্ষা, দুয়ো ক্ষেত্ৰতেই দুয়ো সমান দক্ষতা আৰু সাহসৰ পৰিচয় দি গৈ থাকে । এই

যুদ্ধত দুয়োৰ ৰথ ভাঙি যায়, আৰু দুয়োৰ ৰথৰ অশ্ব সাৰথি সকলে আহত হয় । কৃষ্ণৰ দেহত তিনিটা বান আহি বিদ্ধ হয় আৰু তাৰ পৰা তেজ উলাই থাকে । সেয়া দেখি অৰ্জুনে বৰ ক্ষিপ্ত হৈ ভীষ্মৰ সাৰথিক তিনিটা বান বিদ্ধ কৰি তেওঁক আহত কৰে । এই যুদ্ধত ভীষ্ম আৰু অৰ্জুনৰ পৰাজয় হুৱা নাই।

সেই সময়ত দ্ৰোন আৰু ধৃষ্টদ্যুম্নৰ মাজত বৰ দ্বন্দ্বযুদ্ধ আৰম্ভ হৈ যায় । ধৃষ্টদ্যুম্নৰ যুদ্ধকৌশল দেখি পাণ্ডববীৰ সকলে উৎসাহত সিংহনাদ দি ওঠে । কিন্তু শেষত, ধৃষ্টদ্যুম্ন তেঁওৰ ৰথ আৰু তীৰ দুয়ো হেৰুৱাই পেলায় । তেঁওৰ বৰ্ম ভেদ কৰি তীৰ গৈ দেহত বিদ্ধ হয় । দ্ৰোনৰ তীৰৰ আঘাতত তেঁখেতে বৰ বেয়াভাবে আহত হয় । তেতিয়া তেওঁক ৰক্ষা কৰিবৰ বাবে ভীমে আহি দ্ৰোনৰ লগত যুদ্ধ আৰম্ভ কৰে ।

তেতিয়া দুৰ্যোধন, কালিংগ আৰু তেঁওৰ সৈন্যসকলক ভীমৰ বিৰুদ্ধে পঠায় । সেয়া দেখি দ্ৰোনে ভীমৰ লগত যুদ্ধ নকৰি দ্ৰুপদৰ লগত যুদ্ধ কৰিবলৈ যায় । ধৃষ্টদ্যুম্নই আন এখন ৰথেতে উঠি যুধিষ্ঠিৰ ওচৰত আহে . ভীমে কালিংগৰ লগত যুদ্ধ কৰি তেঁখেতৰ পুত্ৰ শুক্ৰদেৱ, ভানুমত, শ্ৰুতায়ুষ আৰু বহুতোক বধ কৰে । তাৰপাছত সৈন্যবাহিনীৰ মাজেত হুমাই ভীমে আক্ৰমন কৰি তেঁখেতৰ সৈন্যসকলক বধ কৰি গৈ থাকে । সেয়া দেখি ধৃষ্টদ্যুম্নই নতুন উৎসাহত আকৌ সিংহনাদ কৰি ভীমৰ সহায়তাৰ বাবে আহে । ভীম যেনে মানুহ নহয়, তেঁওৰ ভয়ংকৰ অৱস্থা দেখি যেনে লাগে তেঁও যমদূত।

মৃত্যুৰ ভয়ত ভয় খোৱা সৈন্যসকলৰ চীঞৰী শুনি পাই ভীষ্মই তাত আহে । সাত্যকী, ভীম আৰু ধৃষ্টদ্যুম্নই তেঁওৰ ওপৰত জপিয়াই পৰে । এই তিনিজনৰ লগত ভীষ্মই যুদ্ধ কৰে । ভীমৰ ৰথৰ অশ্বৰ মৃত্যু হয় । ধৃষ্টদ্যুম্নই ভীমক তেঁখেতৰ নিজৰ ৰথত তুলি লৈ বেলেগ ফালে ৰথ চলাই গৈ থাকে । ভীমক খুচি কৰিবৰ বাবে সাত্যকিয়ে ভীষ্মৰ সাৰথিক তীৰবিদ্ধ কৰি হত্যা কৰে । ৰথৰ অশ্বই ৰথক বেলেগ ফালে টানি লৈ যায় । সাত্যকীয়ে ভীমৰ ওচৰত আহি তেঁওৰ কান্ধত হাত ৰাখি ক'লে, "বাঃ ভীম, তোমাৰ যুদ্ধ দেখিবলগীয়া । তুমি অকলেই কালিংগ আৰু তেওঁৰ পুত্ৰ সকলক বধ কৰিছা ।" তাৰপাছত ভীমক ধৰি তেঁওৰ উৎসাহক বঢ়াই তোলে ।

# ভাৰত

**এটা মহান সভ্যতাৰ অলপ নিদৰ্শন**
**যুগ যুগ ধৰি সত্যৰ বাবে গৌৰৱময় অনুসন্ধান**

## ৭ অজ্ঞাত কুলৰ এজন মহান ঋষি

গ্ৰীষ্ম কাল আৰম্ভ হ'ল । চামেলী আৰু সন্দীপৰ হাতত অত্যধিক ভালমান সময় আছে যিয়েককাৰ ওচৰত গল্প মেজত শুনিবৰ বাবে । তেখেতৰ খোৱাৰ কোঠাত হওঁক বা বহাৰ ককাৰ নিজৰ গ্ৰন্থাগাৰৰ ভিতৰত অথবা নদীৰ কাষতেই হওঁক অকৌনমান সময়ো থেখতে নষ্ট নেকৰে ককায়েকৰ শুনীয়েক হঁতে, অধ্যাপক দেৱনাথৰ ওচৰৰ পৰা ইতিহাস অথবা অতীত গাথা আৰু পৌৰণিক কাহিনীৰ গল্প কগদায় কৰিছিল ।

'ককা' দণ্ড কাৰনৰে কাহিনী সঁচাকৈ বৰ বিস্ময়কাৰ, আকৰ্ষনীয় আৰু সেই মহাঅৰনাত সময়ে সময়ে যিবোৰ ঘটনা ঘটিছিল সেইবোৰ কম আকৰ্ষনীয় নাছিল । চামেলীয়ে কলে ।

প্ৰাচীন ভাৰতত বহু বিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠান গঢ়ি উঠিছিল সেইবোৰ বনাঞ্চলত । মই ঠিকেই কৈছিলো নহয়নে ককা? সন্দীপে লাহেকৈ সুধিলে ।

ঠিকেই বনৰ মাজত গুৰু দেৱৰ বাসস্থানৰ টাৰিওফালে গুৰুকুল অথবা সেই জাতীয় প্ৰতিষ্ঠান বিলাক গঢ়ি উঠিবাৰ কাৰনটো হোল ঋষিসকল আৰু শিক্ষাগুৰু সকল বনৰ ভিতৰত থাকিবলৈ পছন্দ কৰিছিলে। কঁকাই য়ে কলে।

সঁচাই সুন্দৰ । সন্দীপে মন্তব্য কৰিলে । ককা দাদাই কলে সুন্দৰ । কিন্তু সেইবোৰ ঠাইত এদিনৰ বাবেওঁ সি কোনো গুৰুকুল থাকিব নোৱাৰে । কাৰন তাতে ব্যাডমিন্টন খেলাৰ কোনো ব্যৱস্থা নাই । চামেলীয়ে কাঠ মাৰি কলে।

তাঁতেই কি হল? তাতে বন্ধুভোৰৰ লগত লুকাচুৰি খেলিব পাৰিম বৰকৈ । চহৰৰ ভিতৰত এই খেলাৰ সুয়োগ ক'ত পোৱা যায় । সন্দীপে মন্তব্য কৰিলে ।

সঁচাই, তাত হয়তো ব্যাডমিন্টন, টেনিচ বা ক্ৰিকেট খেলাৰ ব্যৱস্থা নাই কিন্তু শাৰিৰীক শিক্ষা আৰু অন্যান্য খেলাধুলাৰ উৎকৃষ্ট পদ্ধতি সেই ঠাইত আছিল । মলযুঁজ, দৌৰ, সাতোৰা, গছত উঠা ইত্যাদি বহু ধৰনৰ খেলৰ সুবিধা আছিল তাঁত ।

কাবাদি আৰু হা-ডু-ডু ৰ নিচিনা বহুতো ধৰনৰ খেলা সেই অতীত কালৰ বৰ্তমান আমাৰ

বিশ্বাসু

# কথা

সময়ত হৈছে, যিটো খেলাৰ মাধ্যমেৰে আমাৰ নিঃশ্বাস প্ৰশ্বাসকে নিয়ন্ত্ৰন কৰিব পাৰি আৰু দেহৰ নমনীয়তা বৃদ্ধি কৰিব পাৰি । ক্ষত্ৰিয়সকলৰ বালক সকলো য়ে । আহে তেওঁলোকক ধনুৰ্বিদ্যা, অসিচলোৱা, লাটিখেলা সহ অন্য খেলাওঁ শিক্ষালাভ কৰিছিল । ককাই কলে ।

হয় ককা, মোৰ মনত পৰিছে সেই সময়ত সমাজ ব্যৱস্থা কি বহুত কঠিন আছিল নেকি? সন্দীপে প্ৰশ্ন কৰে ।

সমাজ ব্যৱস্থা বা বৰ্ন-ব্যৱস্থা কেতিয়া আৰম্ভ হৈছিল তাৰ বিৱৰন আমাৰ তাঁত নাই । কিন্তু এই বিষয়ে নিশ্চিন্ত । ব্যক্তিৰ স্বাভাৱ আৰু ব্যবসায়ৰ মাজত সামঞ্জস্য ৰক্ষাৰ কাৰনে এই ব্যৱস্থা আৰম্ভ কৰা হৈছে । আৰু অনেক ব্যক্তি আছে যি সকল দুঃ সাহসিক কাম কৰিবলৈ পছন্দ কৰিছিল । বহুতে ব্যৱসায় বানিজ্য পছন্দ কৰিছিল তেওঁলোকক কোৱাহৈছিল বৈশ্য । আৰু অনেক ব্যক্তি এনেকুৱা আছিল যি সকলে খেতিকাম ভাল পাইছিল আৰু নানাভাবে সহায় কৰিব বিচাৰিছিল । তেওঁসকল শূদ্ৰ নামে পৰিচিত আছিল । আৰু যিসকলে শাস্ত্ৰ অধ্যয়ন, ধ্যান আৰু সেইবোৰ কাৰ্য্য কৰিবলৈ ভাল পাইছিল তেওঁলোকে ব্ৰাহ্মন নামে পৰিচিত আছিল । সকলোকে কামৰ বাবে সমান অধিকাৰ দিয়া হৈছিল । আমাৰ সাধাৰন জ্ঞানৰ পৰা বুজিব পাৰু যে বংশগত একধিক্ৰমে এই বৰ্ণ বিভাজন নহয় আৰু হবওঁ নোৱাৰে । ইমানবোৰ কথা একে সুৰে কৈ ককাই অলপ নিঃশ্বাস ললে ।

তেনেহলে বংশানুক্ৰমে এইটো কেনৈকে

হৈ গ'ল? সন্দীপে প্ৰশ্ন কৰিল ।

"ব্যবহাৰিক কাৰনে । এজন ব্ৰাহ্মনৰ সন্তান শাস্ত্ৰ-অধ্যয়ন আৰু শাস্ত্ৰ অনুষ্টানৰ মাজত ডাঙৰ হোৱাৰ ফলত তেওঁৰ সেইবোৰ প্ৰতি আকৰ্ষন থাকিব লাগে। ক্ষত্ৰিয়ৰ পুত্ৰ তেওঁৰ পিতৃক অস্ত্ৰ চলোৱা দেখি তাতেই আকৰ্ষিত হৈ সেই অস্ত্ৰবিদ্যা শিকাৰ বাবে আকুল হৈ উঠে । নিজৰ পুত্ৰেকক অস্ত্ৰ শিক্ষা দি পিতৃসকলো আনন্দ পায় । তেতিয়া এই ব্যৱস্থাৰ মাজত কোনো ত্ৰুটি নাছিল কাৰন এটা বৰ্ণৰ লগত অন্য বৰ্ণ অনায়াসেই যাব পৰিছিল তাৰ স্বভাৱ ও প্ৰকৃতিৰ গতি অনুসাৰে । কিন্তু দুঃখ জনক অৱস্থা আৰম্ভ হয় তেতিয়াৰ পৰাই যেতিয়া আধিপত্য অথবা হীনতাৰ ভাবনা আহি এই ব্যৱস্থাৰ মাজত অনু প্ৰবেশ কৰে । মানুহৰ

স্বভাৱৰ মাজতেই দোষ-ত্রুটি, আৰু অহংকাৰৰ মাজত ত্রুটি । আমাৰ আশা, এনেকুৱা এদিন আহিব যিদিনাখন অহং কাৰৰ লগত ওপৰত উঠিব পাৰিব ।

এনেকুৱা কোনো দৃষ্টান্ত আছে যেয়ে এজনে এটা বৰ্ণৰ লগত অন্য বৰ্ণ গুটি গ'ল, কিবা বৰ্ণ



পৰিবৰ্তন কৰিছে । চামেলীয়ে জানিব বিচাৰে?

এই আদৰ্শ ব্যৱস্থা বংশানুগত পদ্ধতিতে বা পৰিবৰ্তিত হোৱাৰ পূৰ্বে বহুসংখ্যক তেনেকুৱা দৃষ্টান্ত আছে । এই পদ্ধতি পৰিবৰ্তিত হোৱাৰ পিছতো দীৰ্ঘদিন ধৰি নমনিয়তা আছিল । ৰজা আৰু সাধাৰন প্ৰজা, দুজনেই সমান ভাৱে ঋষি সকলক শ্ৰদ্ধা আৰু সন্মান জনাইছিল । এনেকুৱা দৃষ্টান্ত বহুতো আছে । কিন্তু লিখিত বিৱৰন মতে এজনৰ বিষয়ে জনা যায় যি জনে পৰৱৰ্তী কালত এজন বিখ্যাত ঋষি হৈ উঠে । ককাই কলে ।

"ককা, সেই বিষয়ে আমাক কোৱাছোন । চামেলী আৰু সন্দীপ দুয়োজনেই কাহিনী শুনাৰ বাবে জপিয়াই উঠিল ।

ককাই সিহঁতৰ মন ৰখাৰ বাবে আৰম্ভ কৰিলে ।

এখন জঙ্গলৰ সীমাত এজন ৰমনী তাৰ একমাত্ৰ পুত্ৰ সন্তানক লৈ বাস কৰিছিল । তেওঁলোক থকাৰ কাষেদিয়েই বৈ গৈছিল এক নদী । নদীৰ ইটো পাৰত আছিল এটি গুৰুকূল। সেই গুৰুকুলৰ প্ৰধান আছিল এক মহান ঋষি গৌতম ।

প্ৰতিদিন ৰাতিপুৱাই বালক জনে নদীত গা ধুৱলৈ যায় আৰু দেখিবলৈ পায়, নদীৰ ইটো পাৰত বহুতো বালকে গা ধুই থাকে । গুৰুৱে তেওঁলোকক কেনেকৈ গায়ত্ৰী মন্ত্ৰ জপ কৰে আৰু সূৰ্য্য দেৱক প্ৰনাম কৰিব লাগে সেয়া শিক্ষা দিছিল । বালক জনৰ মন্‌ও উতলা হৈ উঠে তেওঁলোকৰ লগত যোগ দিয়াৰ বাবে ।

এদিন বালক জনে তাৰ মাকক নিজৰ মনৰ কথা প্ৰকাশ কৰিলে । মায়ে মৰমৰ পুত্ৰক কলে তুমি কিয় তাত গৈ গুৰুক সাক্ষাৎ কৰি নিজৰ মনৰ কথা প্ৰকাশ নকৰা?

পিছদিনাখন বালক জনে সাতুৰি নদীৰ ইটো পাৰলৈ গৈ গুৰুক সাক্ষাৎ কৰি তাৰ ইচ্ছা ব্যক্ত কৰে । গুৰুৱে নিঃশ্চয় তাৰ আগ্ৰহ দেখি. প্ৰভাবিত হৈছিল । কিন্তু বালক জনৰ বিষয়ে জনা দৰকাৰ, তাৰ পৰিয়ালৰ বিষয়ে জনাৰ পিছত সি তেনেকুৱা পাঠ্যক্ৰম তাৰ বাবে নিদ্ধাৰিত কৰিব পাৰিবনে ।

"তোমাৰ জাতিবৰ্ণ কি?" গুৰুৱে প্ৰশ্ন কৰিলে । "মই নাজানো" অসহায় ভাবে বালকজনে কলে ।

"তোমাৰ মাৰ ওচৰৰ পৰা সুধি আহি মোক কবা ।"

ঋষিৰ লগত পিছদিনাখন বালকজনে সাক্ষাৎ কৰি কলে যে তাৰ মাকেওঁ নাজানে তাৰ পিতৃ আৰু জাতি সম্বন্ধে ।

"ঠিক আছে তোমাৰ পিতাৰ নামটো কোৱা।

"আচাৰ্যদেৱ, মই নাজানো ।"

"তোমাৰ মাৰ ওচৰৰ পৰা সুধি আহি মোক কবা ।"

তাৰ পিচদিনাখন বালকজন হতাশ ভাৱেৰে আহিলে । গুৰুৱে তাৰ ফালে প্ৰসন্ন দৃষ্টিৰে চালে, আচাৰ্যদেৱ, মোৰ মা বিভিন্ন সময়ত বিভিন্ন জনৰ ঘৰত কাম কৰাত ব্যস্ত আছিল । এবাৰ কোনো এক ঘৰত এজন ভৃত্যৰ লগত বিবাহ হয় । কিন্তু সঠিক পৰিচয় জনাৰ আগতেই এবং ভয়াবহ মহামাৰীত তেওঁৰ স্বামীৰ মৃত্যু হয়, পৰিয়াল চূৰ্ন-বিচূৰ্ন হয়, মোৰ মা অকলে হৈ যায় । মোৰ জন্মৰ পিচত তেওঁ মোক লৈ বনৰ মুখত ঘৰ বনাই থাকিবলৈ আৰম্ভ কৰে । বনৰ পৰা সংগৃহীত কাঠ, ফল বিক্ৰী কৰি অৰ্জন কৰা ধনেৰে জীৱন চলায় ।

"বালক, তোমাৰ জাতি স্পষ্ট । তুমি ব্ৰাহ্মন," গুৰুৱে ঘোষনা কৰিলে বালক জনক তেওঁৰ শিষ্যৰূপে গ্ৰহন কৰিলে ।

গুৰুদেৱ, আপুনি কি ভাবে জানিলে যে সি ব্ৰাহ্মন? কোনো বা এজানে প্ৰশ্ন কৰিলে?

"কাৰন এজন ব্ৰাহ্মনেই সদায় সত্য কথা কয় । বালক বা তাৰ মাকে মিছা কথা কোৱাৰ যথেষ্ট সুযোগ আছিল । কিন্তু সত্য কথা কোৱাৰ নিচিনা সাহস আৰু সততা তেওঁলোকৰ আছে। ঋষিয়ে বুজি পাই কলে ।

মই নাজানো বালক জনক তাৰ মাকে কি নামেৰে মাতে । কিন্তু গুৰুজনে তাৰ আজিৰ পৰা নামকৰন কৰে সত্যকাম । যিয়ে সত্যক শ্ৰদ্ধা কৰে । সত্যকামৰ মাকৰ নাম জাবালি । সেয়ে তাৰ নাম সত্যকাম জাবালা, অন্য সত্যকাম নাম যাৰ আছিল তাৰ পৰা ভিন্ন এই নাম ।

"সমাজৰ উপৰত সেইজন ঋষিৰ কিমান ডাঙৰ প্ৰভাৱ বিস্তাৰ কৰিছে । সন্দীপে কলে । তোমালোকৰ জনা উচিত, যিজন ঋষিৰ তেওঁৰ নিজৰ কোনো জাতি-বৰ্ণ নাই, তেখেতয় সকলোতকৈ মহান," ককাই কলে ।



Marketed by Gujarat Co-operative Milk Marketing Federation Limited, Anand 388 001. E-mail: cheese@amul.com For FREE home delivery of our products in select cities visit the Amul Cyberstore at www.amul.com

daCunha/ACS/2/2000



# পিশাচৰ পৰিনতি

চমনপুৰীত বসুসেন নামেৰে এজন যুৱক আছিল । সৰু কালতেই সি তাৰ মা আৰু দেউতাক হেৰুৱায় । তাৰ মমায়েকে তাক ডাঙৰ দীঘলৰ বাবে লৈ যায় । কিন্তু কেই বছৰমান পাছত সেই মমায়েকৰ মৃত্যু হয় । বসুসেনৰ পৰিবাৰত তাক দেখিবলগীয়া কোনো নাছিল । তাৰবাবে গাঁওৰ মানুহে ঠিক কৰে, সিহঁতেই একেলগে মিলি তাক ডাঙৰ দীঘল কৰিব । সি ডাঙৰ হৈ ওঠে, বৰ স্বাস্থ্যবান আৰু নির্ভীক যুৱক আছিল ।

বসুসেনৰ আগত গোটেই গাঁওখ ননেই আছিল তাৰ মাতা-পিতাৰ সন্মান । গাঁওত কোনো শুভকাম, উৎসৱ, অনুষ্ঠান সকলো কাম ধুনীয়াকৈ হৈ যায় কোনেও একো নকলেও । সকলো কাম ধুনীয়াকৈ সম্পন্ন কৰে, কতও কোনো ফাঁক নেথাকে, ভূল ও নহয় । ৰাতি সকলোৰ ক্ষেতিৰ ফসল পহৰা দিয়ে, জংলী জানোয়াৰৰ হাতৰ পৰা ৰক্ষা কৰে । তাৰ কোনো ভয় নাই । তাৰবাবে সকলোৱে প্ৰশংসা কৰি ক'লে "বসুসেন সঁচাকে বীৰ । তেওঁৰ নাম হৈ গৈছিল বীৰসেন ।"

এদিনাখন গাঁওৰ পণ্ডিত অনিল শাস্ত্ৰীয়ে তাক মাতি ক'লে, "ৰে বসু, তুমি হয়তো নেজানা যে, গাঁওৰ সিমানাত দুইটা তেঁতুই গছৰ বনৰ ভিতৰত দুটা পিশাচ আছে । চহৰৰ পৰা উভতি অহাৰ সময়ত আমাৰ গাঁওৰ মানুহসকলক ৰাতি সিহঁতে কষ্ট দিয়ে । গোটেই গাঁওখন সিঁহতক ভয় কৰে । তাৰ বাহিৰে, আমাৰ গাঁওত যোগিনীদেৱী সিদ্ধপীঠ মন্দিৰ দৰ্শনণ আৰু পূজাৰ বাবে ৰজায় অহাকালি আহি আছে । সেই পিশাচ সকলে তেওঁক কিবা কৰিব পাৰে । যদি ৰজাক ৰক্ষা কৰা তেতিয়াহ'লে তেঁখেতৰ প্ৰাসাদত তোমাৰ এটা কামৰ ব্যৱস্থা কৰি দিম ।"

বসুসেনে শাস্ত্ৰী মহাশয়ৰ কথা ভালদৰে শুনে । তাৰপাছত ক'লে, "পণ্ডিতজী, এই গাঁওত মোৰ কোনো ধৰনৰ অসুবিধা বা দুঃখ কষ্ট হোৱা নাই । ইয়াত মুই আৰামত আছো ।



রাজ-প্রাসাদত কাম কৰিবাৰ কোনো ধৰবাৰ, ইচ্ছা মোৰ নাই । তথাপি ৰজাক ৰক্ষা কৰা আমাৰ সকলোৰে ধৰ্ম । এইটো আমাৰ পৰম সৌভাগ্য যে ৰজা আমাৰ গাঁওত আহি আছে, আমাৰ আলহি হব । আপোনি চিন্তা নেকৰিব। তেঁখেতৰ ওপৰত কোনো আঘাত নাহিব । পিশাচৰ লগত মুই কথা পাতিম ।"

বসুসেনে সেইদিনাখন ৰাতি তেঁতুই গছৰ বনৰ ভিতৰত গৈ কৰবাত লুকাই থাকে । বহুসময়ৰ পাছত কুঁৱাৰ পাৰৰ ওপৰত দুইটা পিশাচক বহি থকা দেখিবলৈ পায় । দুয়োৰ মাজত এটাই দীঘল আৰু খিন, আনটো চাপৰ আৰু শকত । সিঁহতে নিজৰ মাজত কথা পাতি আছিল ।

দীঘল খিন পিশাচটোৱে ক'লে, "প্ৰথমতে মুই যি ধুনীয়া সৰোবৰৰ ওচৰত আছিলো, তাতে অংহকাৰী ৰজা এজনে সৈন্যসামন্ত, লৈ সদায় চিকাৰ কৰিবলৈ অহিছিল । মানুহৰ হুলুস্থুলৰ কাৰনে মৈ সেই ঠাইখন এৰি আহিব লগা হয় । সিহতৰ বাবেই আজি মোক এনেকুৱা এটা বেয়া ঠাইত থাকিব লগা হৈছে । তাৰ প্ৰতিশোধ লোৱাৰ সুয়োগ আজি আহিছে মোৰ হাতত । অহাকালি ৰজায় পৰিয়ালৰ সকলোকে লৈ আহি আছে ।"

"সঁচাকৈ নে, এইটো এটা ভাল সুযোগ । অকল ৰজাক কিয়, পৰিবাৰৰ সকলো সমস্যক কাল মৃত্যুৰ বাজাত পঠাই দিম ।" চাপৰ পিশাচটোৱে ক'লে ।

"ঠিক আছে । ৰজাৰ ৰথ যেতিয়া গাঁওৰ সীমানাত আহি পাহাড়ৰ কাষেৰে ঘুৰিব, তেতিয়া মুই এটা ডাঙৰ শিল পাহাড়ৰ ওপৰৰ পৰা তেঁখেতৰ ৰথৰ ওপৰত পেলাই দিম । ৰথত যোনে থাকিব সকলোৱে পাথৰৰ চেপা খাই মৰিব ।" দীঘল পিশাচটোৱে ক'লে ।

"যদি ৰজা ইয়াৰ পৰা বাঁচি ওলাই যায় তেতিয়াহ'লে মুই পূজামণ্ডপত জুই লগাই সিঁহতৰ সকলোকে একেলগে পুড়ি মৰিম ।" হাঁহি হাঁহি চাপৰটোৱে ক'লে ।

"কিন্তু এই দুয়োটা বিপজ্জনক অৱস্থাৰ পৰা যদি ৰজায় বাঁচি ওলায় তেতিয়াহ'লে?" দীঘল পিশাচ টোৱে এই কথাখিনি কৈ চিন্তা কৰি থাকে।

বহু সময় মনে মনে থকাৰ পাছত চাপৰ পিশাচটো ৰে হঠাৎ থিয় হৈ হাঁহি হাঁহি ক'লে, "নহয়, আমি কেতিয়াও হাতৰ ওপৰত হাত ৰাখি বহি নে থাকো, যেতিয়ালৈকে ৰজাৰ বিৰুদ্ধে প্ৰতিশোধ লোৱা নহয় । তুমি আগৰ পৰাই ৰজাৰ পানৰ বাকসত কেঁকোড়া বিছা হৈ বহি থাকিবা আৰু যদি এই বোৰ বিপদৰ পৰা বাঁচি

ৰাজভৱনৰ লগ পায় তেতিয়া হলে ৰজা ৰাতি আহাৰৰ পাছত পান খোৱাৰ বাবে পানৰ বাকসটো খুলিব তেতিয়াই ৰজাক দংশন কৰিবা।

"বাঃ ! তুমি কি ধুনীয়া উপায় ওলিয়াইছা । ইয়াৰ পৰা তেঁখেতে আৰু বাঁচিব নোৱাৰে । ধৰি লোৱা, প্ৰতিশোধ লোৱা মোৰ হৈ গৈছে।" কৈ হো হো কৰি হাঁহি থাকে আৰু খুছিত জপিয়াই থাকে ।

পাছদিনাখন আবেলিৰ সময়ত বসুসেনে গাঁওৰ সীমানাত অপেক্ষা কৰি থাকে । ৰজাৰ ৰথক অহা ইশাৰাত ৰথটোক ৰেখাবলৈ কয় । আৰু গৈ ৰথৰ সাৰথিক সাৱধান কৰি দি ক'লে, "আগত পাহাড়ৰ কাষেৰে যোৱাৰ, সময়ত বৰ ভালদৰে যাৱা, ঠাইখন বৰ বিপদজনক । সেই ঠাইখিনিত ৰথৰ গতি দ্ৰুত কৰি দিব । তাতে ৰজাৰ কোনো বিপদ হোৱাৰ সম্ভাৱনা আছে।" ৰজাই এই বোৰ কথা শুনিবলৈ পায় । বিপদৰ আশংকাৰ কথা চিন্তা কৰি তেঁখেতৰ মনত পৰে যে, বৃদ্ধ মন্ত্ৰীয়ে সেই অঞ্চলৰ বিষয়ে একো নেজনাৰ বাবে পৰামৰ্শ দিছে, "সেই অঞ্চলৰ বিষয়ে মই একো নেজানো, সেই অঞ্চলৰ মানুহে যেনেকুৱাকৈ কব তেনেকুৱাই কৰিম, তাতেই আমাৰ মঙ্গল হব ।"

বসুসেনে যেনেকুৱা কৈছে সাৰথিয়ে ঠিক তেনেকুৱাই কৰিছে । সেই অঞ্চলখনত ৰথটো বৰ দ্ৰুত চলাইছে । তেতিয়া পাহাড়ৰ ওপৰত পৰা এখন ডাঙৰ শিল আহি পৰে । অলপৰ বাবে ৰজাই বাঁচি যায় . সকলোয়ে আচৰিত হৈ যায় । কেনেকোৱা এইটো হ'ল । আৰু বেছি আচৰিতৰ বিষয় এইটো যে, বসুসেনে কেনেকৈ জানিব পাৰিল যে এনেকুৱা বিপদ ঘটিব বুলি । তাববাবে সকলোৱে তাক কৃতজ্ঞতা জনায় । মন্ত্ৰী



আৰু সেনাপতিয়ে ৰজাৰ আগত প্ৰস্তাৱ দিয়ে তাক সম্মান জনোৱা বাবে, ৰজাই মানি লয় সেই প্ৰস্তাৱ ।

ইয়াৰ পাছত ৰথটো গাঁওত আহি সুমায় । ৰজা, ৰানী আৰু অহা ৰাজপৰিবাৰৰ সকলোকে স্বাগত জনোৱাৰ বাবে গাঁওৰ মানুহে এটা মঞ্চ বনায়, তাতে ৰজা, ৰানী আৰু ৰাজকুমাৰীৰ বাবে আসন বনোৱা হয় । ৰজাই যেতিয়া মঞ্চত উঠিবলৈ যাব তেতিয়া বসুসেনে অহি ক'লে, "মহাৰাজ, আপোনালোক তিনিজনে মঞ্চৰ ওপৰত বনোৱা আসনত নবহিব । মঞ্চৰ এটা ফালেৰেও ওঠি আনটো ফালেৰে তলত নামি আহিব নহলে কোনো অনৰ্থ হব পাৰে ।"

শকত পিশাচটো মঞ্চৰ তলত লুকাই বহি আছে জুই লগাৱাৰ বাবে । ৰজা কেতিয়া মঞ্চত উঠিব তাৰ অপেক্ষা কৰি আছিল । ৰজা, ৰানী

আৰু ৰাজকুমাৰী যেতিয়াই মঞ্চৰ ওপৰত উঠি আসনৰ ওচৰত গৈ পায় তেতিয়াই শকত পিশাচটোৱে জুই লগাই দি চিঞৰী ওঠে, "ৰাজপৰিবাৰৰ সৰ্বনাশ হ'ল।"

কিন্তু তেতিয়ালৈকে ৰাজপৰিবাৰৰ মানুহে মঞ্চৰ আনটো ফালে গুচি যায়। জুইৰ হাতৰ পৰা অলপৰ বাবে বাঁচি যায় সিঁহতে। অলপ সময়ৰ ভিতৰতে মঞ্চটো জুইত পুৰি ছাই হৈ যায়। গাঁওৰ মানুহে বুজিব নোৱাৰে, এই দুৰ্ঘটনাটো কেনেকৈ হ'ল। সকলোৱে আচৰিত হৈ যায়।

মন্ত্ৰী আৰু সেনাপতিয়ে বসুসেনৰ ওপৰত সন্দেহ কৰি থাকে। সিহঁতে ৰজাক ক'লে, "আপোনাৰ জীৱন-সংকটৰ কথা এই যুৱকজনে কেনেকৈ জানিবলৈ পায়। হব পাৰে, এজন যাদুকৰ সি। আকৌ হব পাৰে, এইবোৰ তাৰ ষড়যন্ত্ৰ। যেতিয়ালৈকে সঁচাটো আমি জানিব নোৱাৰে তেতিয়ালৈকে ইয়াক বন্দী কৰি ৰখা উচিত।"

"ঠিক আছে।" ৰজাই সন্মতি দিয়ে।

সৈনিকসকলে বসুসেনক বন্দী কৰি যেতিয়া অন কৰবাত লৈ যাব তেতিয়া গাঁওৰ মুখিয়ালে ৰজাক ক'লে। "মহাৰাজ, মই ইয়াক তাৰ সৰুকালৰ পৰাই জানো। সি অনাথ, কিন্তু বৰ পৰোপকাৰী। আনৰ মংগল কৰাই ইয়াৰ স্বভাৱ। মন্ত্ৰ-তন্ত্ৰ-যাদু - এইবোৰৰ লগত তাৰ কোনো সম্পৰ্ক নাই।"

বসুসেনৰ মাজত কোনো চাঞ্চল্য নাই। সি ৰজাক আকৌ ক'লে, "দুটা পিশাচৰ বাবে আজি ৰাতি ৰাজপ্ৰাসাদত আপোনাৰ আৰু মহাৰানীৰ জীৱন সংকটৰ মাজত পৰিব। যদি মই লগত নেথাকো তেতিয়াহলে দুয়োৰ জীৱন বাঁচাৱা অসম্ভৱ।"

মন্ত্ৰীয়ে পৰামৰ্শ দিয়ে, "মহাৰাজ, বসুসেনক ৰাজপ্ৰাসাদত লৈ যোৱা হওক। ৰাতি যদি বিপদ সংকট সঁচাকৈ হয় তেতিয়াহলে হয়তো এই যুৱকজনে আপোনাক ৰক্ষা কৰিব যেনেকুৱাকৈ সি এতিয়ালৈকে দুটা ডাঙৰ বিপদৰ পৰা ৰক্ষা কৰিছে।"

মন্ত্ৰীৰ কথা মানি লয় ৰজাই। ৰাজপৰিবাৰৰ লগত বসুসেনও ৰাজপ্ৰাসাদত আছে। ৰজাৰ বিপদ আৰু সংকট দেখিবলৈ মন্ত্ৰী আৰু সেনাপতিও সেই ঠাইত আছে।

ৰাতি আহাৰৰ পাছত ৰজাই যেতিয়া পানৰ বাকসটো খুলিবলৈ যাব বসুসেনে বাকসটো ৰজাৰ হাতৰ পৰা নিজৰ হাতত লৈয়। বাকসটো সি নিজে খোলে। ভিতৰত অপেক্ষা কৰি থকা বিছাটোৱে যেতিয়া বসুসেনক দংশন কৰিবলৈ

যাব, লগে লগে বাকস্‌টো বন্ধ কৰি দিয়ে বসুসেন।

ইয়াৰ পাছত বসুসেনৰ চকুত পৰে যে ৰানীয়ে ফুল লোৱাৰ বাবে ফুলৰ বেগৰ ঢাকনা খুলিবলৈ গৈ আছে। বসুসেনে ৰানীক বাধা দি নিজে বেগৰ ঢাকনাটো খোলে। ভিতৰত যি বিষধৰ সাপটো বহি আছিল, সেইটো খঙত হিসহিস শব্দ কৰি ওঠে। বসুসেনে লগে লগে ঢাকনা বন্ধ কৰি দিয়ে।

এইবোৰ দেখিবলৈ পাই সকলোৱে আচৰিত হৈ যায়। বসুসেনে তেতিয়া ৰজাক ক'লে, "মহাৰাজ, আপোনাৰ সৈন্যসকলক আদেশ কৰক, পানৰ বাকস্ আৰু ফুলৰ বেগখন সাৱধানত মাটিৰ দশফুট ভিতৰত ৰাখি ওপৰত মাটি দি দিবলৈ কওক। দুইটা পিশাচ তাত আছে। আপোনাৰ বিৰুদ্ধে প্ৰতিশোধ লবলৈ, পৰিবাৰসকলোকে লৈ আপোনাক বিনাস কৰিবৰ বাবে সিহঁতে এইবোৰ কৰি আছে।" তাৰপাছত সেই দুটা পিশাচৰ কাহিনী ৰাজাক শুনায়।

বসুসেনৰ বীৰত্ব, সাহস আৰু পৰোপকাৰিত দেখি ৰাজপৰিবাৰৰ সকলোৱে আচৰি হৈ যায়।

ৰাজকুমাৰীয়ে ক'লে, "দেউতা, এনেকুৱা বীৰ তো আমাৰ দেশৰ প্ৰধান সেনাপতি হব লাগে।" ৰানীয়ে ক'লে, "এনেকুৱা বুদ্ধিমানৰ তো আমাৰ দেশৰ মন্ত্ৰী হব লাগে।"

সেনাপতি আৰু মন্ত্ৰীয়ে নিজৰ নিজৰ পদৰ বিষয়ে বিপদৰ সম্ভাৱনা দেখিবলৈ পাই ক'লে, "মহাৰাজ, এনেকুৱা জ্ঞান বুদ্ধি থকা যুৱক তো আমাৰ যুৱৰানীৰ বাবে যোগ্য, আপোনাৰ উত্তৰাধিকাৰী হোৱাৰ যোগ্য।"

উত্তৰত ৰজাই ক'লে, "ঠিক, ঠিক।"

বসুসেনে মনে মনে ভাবে, ৰজাৰ নিজৰ কোনো মত নাই। সকলোৰ মতক ঠিক ঠিক বুলি কৈ আছে। এনেকুৱা মানুহৰ লগত থকা সদায় বিপদৰ সম্মুখীন হোৱা। সি হাতজোড় কৰি ৰজাক ক'লে, তাৰ অসুস্থ দেউতাকক সেৱা কৰিবৰ বাবে তাক তেতিয়াই গাঁওত উভতি যাব লাগিব, যি বৰ প্ৰয়োজন। এই বুলি কৈ সি তাৰ পৰা নিজৰ গাঁওত ঘুৰি আহে।

# চান্দমামা

## 'ভাৰত অনুসন্ধান' প্ৰশ্নোত্তৰ

এই সংখ্যাত প্ৰকাশিত প্ৰশ্নাৱলীৰ উত্তৰ অহা সংখ্যাত প্ৰকাশিত হব । এই সময়ৰ মাজত প্ৰশ্নবিলাকৰ উত্তৰ তুমি নিজে বিচাৰি উলিওৱা আৰু তাৰ লগত ভাৰতৰ পুৰনি ঐতিহ্যৰ জ্ঞানত নিজক সমৃদ্ধ কৰি তোলা ।

1

১. ক. কোন দুজন বিখ্যাত ধৰ্মপ্ৰচাৰক সমসাময়িক আছি? দুয়ো আছিল ৰাজবংশজাত ।

খ. কোন ভাষাত বৌদ্ধ ধৰ্মৰ প্ৰথম পুস্তকটো লিখা হয়?

গ. বৌদ্ধ ধৰ্মৰ সৰ্বোতকৈ প্ৰথম গ্ৰন্থটোৰ নাম কি?

ঘ. জৈন ধৰ্মৰ প্ৰথম গ্ৰন্থটো কোন ভাষাত লিখা হয়?

ঙ. জৈন ধৰ্মৰ সবোতকৈ প্ৰথম গ্ৰন্থটোৰ নাম কি?

2

২. পুৰনি কালৰ এজন ৰজাই জংগলত চিকাৰ কৰিবলৈ গৈছে । চিকাৰ কৰিবৰ পাছত ৰজাই তেঁওৰ পিন্ধা বস্ত্ৰৰ উপৰৰ অংশটো নিহত পশুৰ তেজ লগাই ৰানীৰ ওচৰত পঠাই দিয়ে । বস্ত্ৰ ভ্ৰগুৰ বাহকক নিৰ্দেশ দিয়ে, ৰানীৰ আগত যেন সি একো নকয়, অকল তেজ লগা বস্ত্ৰটো তাবি আগত ৰাখি দিব । ৰানীৰ প্ৰতিক্ৰিয়া কি হয় সেয়া ৰজাই দেখিবলৈ বিচাৰে, কাৰন ৰজাই নিশ্চিন্ত আছিল যে ৰানীয়ে সেইটো দেখি তেঁওৰ তেজ বুলি ভাবি লব আৰু ৰজাৰ মৃত্যু হৈছে বুলি ধৰি লব ।

কিন্তু এই মজা কৰিবৰ বাবে ৰজাক বহুতো মূল্য দিব লগা হয় । কাৰন, ৰজাই প্ৰাসাদত উভতি আহি দেখে, শোকৰ আঘাতত ৰানীৰ মৃত্যু হৈছে । ৰজাৰ নাম কি? ৰানী কোন আছিল ?

**হাতৰ পৰা সকলো খহি যোৱাৰ পাছত এখন পাত ধৰি আৰু কি লাভ?**

# চোৰক ৰাস্তা কৰি দিয়া

ভৌমপুৰ গাঁওত বাচ্চু নামেৰে এজন ব্যৱসায়ী আছিল। এদিনাখন মাজৰাতিত তেঁও শুই আছিল। হঠাৎ দৰজাত শব্দ শুনিবলৈ পায়, কোনোৱাই দৰজাত ধক্কা মাৰি আছিল। বিছনাৰ পৰা উঠি তেঁও দৰজা খুলি দিয়ে।

দৰজাৰ বাহিৰত এজন লোক থিয় হৈ আছিল। দৰজা খন খোলা দেখিবলৈ পাই তেঁও ভিতৰত সুমাই দৰজা বন্ধ কৰি দিয়ে। তাৰপাছত বাচ্চুৰ ভৰিত ধৰি কৈ থাকে, "মহাশয়, মোক বচাঁওক। বৰ ডাঙৰ বিপদত পৰিছো। জমিদাৰৰ মানুহসকলে মোক খেদি আছে। সিহঁতৰ ধাৰনা মই চুৰি কৰি পলাই গৈছো। যদি মোক ধৰি তেতিয়াহ'লে গোটেইজীৱন মোক শাস্তি ভোগ কৰিব লাগিব। আপোনি মোক বঁচালে এই মোনাটোত যিমান সোনৰ গহনা আছে সকলোবোৰ আপোনাক দি দিম।"

বাচ্চুয়ে অলপসময় চিন্তা কৰে। তাৰপাছত "হব" বুলি মনে মনে থাকে। জমিদাৰৰ মানুহ আহি চোৰৰ বিষয়ে জানিবলৈ বিচাৰে। সুধে। বাচ্চুয়ে সিঁহতক ক'লে, তেঁওৰ ঘৰত কোনো নাই। সিঁহতে গুচি যায়।

চোৰে যেতিয়া নিশ্চিত হ'ল যে জমিদাৰৰ সকলো মানুহ গুচি গৈছে, তেতিয়া উলিয়াই বাচ্চুক ক'লে, "ঘৰত সোন আৰু টকা পইচা যি আছে সকলো মোক দিয়া।"

বাচ্চুয়ে আচৰিত হৈ চোৰক দেখি থাকে। তাৰপাছত তেঁও চোৰক ক'লে, "মই তোমাক উপকাৰ কৰিলো, আৰু তুমিই উলোটা মোৰ ক্ষতি কৰিবলৈ বিচাৰিছা?"

"চোৰ বুলি জানিও তুমি মোক ইমানখিনি সুযোগ কৰি দিছা, ৰাস্তা কৰি দিছা। ন্যায় অন্যায় কোৱাৰ সময় এতিয়া আৰু নাই, আৰু তুমিই বা কোন সেই বিষয়ে কব লগা। চুপচাপ সোন গহনা আৰু টকা-পইচা উলিয়াই দিয়া নহলে জীৱন হেৰুৱাবা।"

বাচ্চু ভয়ত কঁপি কঁপি গহনা আৰু অৰ্থ চোৰৰ হাতত তুলি দিয়া। সেইবোৰ পোৱাৰ পাছত বাচ্চুক এটা খুটিৰ লগত বান্ধি দি ক'লে, "মই এই অঞ্চলৰ পৰা গুচি যোৱাৰ আগত চিক্ৰবী যদি কাৰোবাক মাতা, জানিৱা তোমাৰ মৃত্যু নিশ্চিত।" সাৱধান কৰি দি চোৰে তাৰ পৰা পলাই যায়।

ৰাতি পুৱা হ'ল। জমিদাৰৰ মানুহৰ ঘোষনা শুনিৱলৈ পায় ঢাক-বজোৱাৰ লগে লগে, "চোৰক যোনে ধৰি দিব তাক হেজাৰ সোনৰ মুদ্ৰা দিয়া হব পুৰস্কাৰ হিচাপে।" ঘোষনা শুনি বাচ্চুয়ে আচৰিত হৈ যায়।

তেওঁ চিন্তা কৰি থাকে, "এজন সুনাগৰিকৰ দৰে যদি তেঁও কাম কৰিল হয়, চোৰক ধৰাই দিলে হয় তেতিয়াহলে সোন আৰু টকা-পইচা হেৰুৱাৰ লগা নহলহয়। তাৰ লগত জমিদাৰৰ পুৰস্কাৰও তেওঁ পালে হয়। গাঁওৰ মানুহসকলেও বাঁচিল হয়। বেছি আশাই তেঁওৰ সৰ্বনাশ কৰি দিয়ে। হাতৰ পৰা সকলো যেতিয়া খহি পৰিলে তেতিয়া এখন পাত ধৰি আৰু কি লাভ হব?" নিজৰ কাৰনেই নিজৰ দুখ অনুভৱ কৰি থাকে।

# পুৰী

## জগন্নাথদেৱৰ নগৰী

ভাৰতৰ পূৰ্ব উপকূলত থকা উড়িষ্যা ৰাজ্যৰ অন্তৰ্গত এখন বৰ পুৰনি নগৰ পুৰী। ইয়াৰ পুৰনি মন্দিৰৰ আৰাধ্য দেৱতা জগন্নাথ, অৰ্থাৎ গোটেই জগতৰ অধিকৰ্তা - তেঁওৰ ডাঙৰ ভায়েক বলৰাম আৰু সৰু ভনী সুভদ্ৰা। বৰ্তমান মন্দিৰটো দ্বাদশ শতাব্দীৰ ৰজা চোদাগংগাই দেৱৰ সহায়ত বনোৱা হয়। ইয়াৰ আগত আৰাধ্য দেৱমূৰ্তি আন এখন পুৰনি মন্দিৰত বা বহুতো মন্দিৰত প্ৰতিষ্ঠিত আছিল।

সঁচাবুলি বিশ্বাস যে, জগন্নাথদেৱৰ কাঠৰ মূৰ্তিৰ মাজত প্ৰেথিত আছে এনেকুৱা কিবা ৰহস্যময় বস্তু যি নিৰ্দিষ্ট সময়ৰ, পাছত নতুন মূৰ্তি বনোৱা হলে তাত্ স্থানান্তৰিত কৰা হয়। বহুতো মানুহৰ সঁচাবুলি বিশ্বাস যে, সেই ৰহস্যময় বস্তুটো শ্ৰীকৃষ্ণৰ দেহাৱশেষ ভিন্ন একো নহয়। পুন্য দেহাবশেষ সম্বলিত মঞ্জুষাটো এজন আদিবাসী সৰ্দাৰ বিশ্বাবসুৰ ওচৰত আছিল, তেঁখেতেই এজন পূজাৰী আছিল। সম্ভৱত, বিশ্বাবসু হ'ল জৰা সৱৰা এজন ব্যাধ্ যোনে ভুল কৰি তীৰবিদ্ধ কৰি শ্ৰীকৃষ্ণক হত্যা কৰে, তেখেতৰ বংশজ। এজন পুৰনি ৰজা ইন্দ্ৰদ্যুম্ন অনুভৱ কৰে যে, ভগবানৰ উপস্থিতি পুৰীৰ অলপদূৰত কোনো জংগলত লুকাই আছে। তেঁখেতে চাৰিজন পণ্ডিত বুদ্ধিমান পুৰুষক চাৰিওফালে পঠায়, ইয়াৰ অনুসন্ধানৰবাবে।

সিহঁতৰ মাজৰ এজন বিদ্যাপতি পুৰফালে যাত্ৰা কৰে, বিশ্বাবসুৰ আলহি হই। আদিবাসী সৰ্দাৰৰ কন্যা ললিতাৰ লগত পৰিচয় হওয়াৰ, পাছত সিহঁতৰ বিয়া হয়। তাতে থকাৰ সময়ত বিদ্যাপতিয়ে লক্ষ্য কৰে যে, তেঁওৰ শ্বশুৰেকে অজ্ঞাত ঠাইত থকা গুহাভ্যন্তৰত গৈ কোনো ৰহস্যময় বস্তুক পূজা কৰি আহে, সদায় ৰাতিপুৱাৰ সময়ত। স্থান আৰু আৰাধ্য দেৱতাক দেখিবলৈ বিদ্যাপতিয়ে খং কৰে। তেঁওক তাত লৈ যোৱা হয় কিন্তু কাপোড় দি তেওঁৰ চকু বান্ধি ৰখা হয়। বুদ্ধিমান বিদ্যাপতিয়ে যোৱাৰ সময়ত সৰিষাৰ বীজ পেলাই পেলাই গৈ থাকে।

গুহাৰ অভ্যন্তৰত প্ৰৱেশ কৰাৰ লগে লগে তেঁখেতে উপলব্ধি কৰে যে তাতেই আছে ভগৱানৰ দিব্য দেহাবশেষ। কেইদিন মানৰ পাছত, যেতিয়া সৰিষৰ বীজৰ পৰা পুলি ওলায়, তেতিয়া তেওঁ পথ চিনি লৈ গুহাত গুচি আহে আৰু ভগবানৰ দিব্যদেহাবশেষ সম্বলিত মঞ্জুষাটো লৈ তাৰ পৰা পলাই যায়। ৰজা ইন্দ্ৰদ্যুম্নই সেইটো লাভ কৰি সুখী হয়। তাৰপাছত তেঁখেতে নিজে জংগলত গৈ আদিবাসী সৰ্দাৰ বিশ্বাবসুৰ লগত লগ কৰে আৰু তেঁখেতৰ ওচৰত ক্ষমাভিক্ষা কৰি তেঁখেতক সম্মত কৰিবলৈ বাধ্য কৰে যে, দিব্য দেহাবশেষ তেতিয়াৰ পৰা জনসাধাৰনৰ উপলব্ধি কৰিবৰ ৱাৱে সময় হৈছে।

বিশেষ উল্লেখযোগ্যৰ বিষয় যে, বিদ্যাপতি আৰু ললিতাৰ বংশধৰ সকলে জগন্নাথ দেৱৰ পূজাৰী সকলৰ মাজত এতিয়াও আছে। ইয়াৰ পৰা জানিবলৈ পোৱা যায় যে, সেইসময়ত জাতি বা বৰ্ন-সংৰক্ষন নাছিল।

জগন্নাথ দেৱৰ ৰথযাত্ৰা যোৱা মাহত অনুষ্ঠিত হৈ গৈছে। গোপাৰ পৰা শ্ৰীকৃষ্ণৰ মথুৰাগমনৰ যাত্ৰাক স্মৰন কৰিবৰ বাবেই এই ৰথযাত্ৰা উৎসৱ। লাখ লাখ নৰনাৰী ভক্ত এই উৎসৱৰ বাবে পুৰীত আহি থাকে।

পুৰীত যোৱাৰ পাছত বহুতোৰে অনুভৱ হয় যে, সুদূৰ অতীত আৰু বৰ্তমানৰ মাজত ডাঙৰ ফাঁক, ইয়াত বৰ সংকীৰ্ণ হৈ আহিছে। তাতে মন্দিৰৰ প্ৰসাদ এনেকুৱা এটা আহাৰ পদাৰ্থ যি সহস্ৰ বছৰ বা তাৰও বহুতো আগত ভক্তসকলে একেধৰনৰ প্ৰসাদ গ্ৰহন কৰিছিলে।

পৰীত আৰো বহুতো পুৰনি মঁন্দিৰ আছে। ইয়াৰ পাছতও পুৰী আধুনিক সকলো সুৱিধা থকা বৰ্তমানৰ এটা নগৰও। ইয়াৰ সমুদ্ৰ সকলোৰ ওচৰত এটা ডাঙৰ আকৰ্ষন, এটা ধুনীয়া ঠাই। সদায় হেজাৰ হেজাৰ তীৰ্থযাত্ৰী আৰু পৰ্যটক ইয়াত আহে, সমুদ্ৰত গা ধোঁৱা উপভোগ কৰে, ৰূপালী বালুকাৰাশিৰ ওপৰত ভ্ৰমন কৰি প্ৰাকৃতিক দৃশ্য উপভোগ কৰে।

আধুনিক পুৰী চহৰত আছে সংস্কৃত শিক্ষাৰ বাবে এটা ডাঙৰ সংস্থা। আন এটা সংস্থা আছে, আয়ুৰ্বেদ শাস্ত্ৰ অধ্যয়ন কৰিবৰ বাবে।

# কিহৰ বাবে

শিৱচৰন এজন সৰু সৰা ব্যৱসায়ী। গাঁওত থাকিলেও তেঁও চহৰত গৈ ব্যৱসায় কৰে। উপাৰ্জন কৰিবৰ উপায় বিলাক ভালদৰে জানিছিল, কিন্তু খৰচ কৰিবৰ চিন্তা-বুদ্ধি নাছিল তেওঁৰ।

গাঁওৰ পৰা সদায় চহৰত অহা যোৱা কৰিবলৈ বৰ কষ্ট হয়, তাৰবাবে মাজে মাজে তেঁও মনে মনে ভাৱে চহৰত থাকিব। কিন্তু চহৰত থাকিলে খৰচ বেছি, তাৰবাবে গাওঁতেই থাকে। ৰাতিপুৱা খোৱাৰ পাছত ওলাই যায়, চহৰৰ পৰা ঘুৰি আহোতে ৰাতি হৈ যায়।

ঘনীয়েকক অকল পৰামৰ্শ দিয়ে খৰচ কমাবলৈ। খোৱাৰ বাবতে বেছি খৰচ কৰা তেঁওৰ পছন্দ নহয়। সদায় ৰাধাক কয়, কেনেকৈ কমখৰচ লাগে। তাইক কয়, “ভোখ লগৰ বাবে খোৱা, স্বাস্থ্যৰ বাবে খোৱা, সোৱাদ বা জিভাৰ বাবে খোৱা নহয়।” তাৰবাবে ৰাধাই সদায় সাধাৰন খোৱাবোৱা বনায়। পৰবৰ সময়ত ভাল খোৱাৰ বস্তু, পায়স আদি বনাবলৈ বাধা দিয়ে। গাখীৰ, ভাল ভাল শাক, পাচলি ঘৰত খুব কমকে আনে।

কিন্তু ৰাধাৰ দেউতাকৰ ঘৰত সদায় ভাল ভাল খোৱাৰ বস্তু অনা হয়। তাৰবাবে সৰুকাল পৰা ভাল ভাল বস্তু খোৱাৰ অভ্যাস হৈ গৈছে তাইৰ। কিন্তু গিৰিয়েকৰ ঘৰত ভয়তে কোনো ভাল ভাল খোৱা নবনায়। ভাল ভাল খোৱাৰ বস্তু নেখাই বহুদিন কটাইছে, কিন্তু আৰু নোৱাৰে। মনে মনে ভাবে গোটেইদিন ঘৰত গিৰিয়েক নেথাকে, ৰাতি ঘৰত আহে, তেতিয়াহলে নিজৰ ইচ্ছামতে কিয় খোৱাবোৱা বনাই নলয়। অৰ্থ তো বহুত আছে। শিৱচৰনৰ ধাৰনা আৰু বিশ্বাস যে, ৰাধাও তেঁওৰ নিচিনা মিতব্যয়ী। তাৰ বাবে তেঁও যি অৰ্থ উপাৰ্জন কৰে সেয়া ঘনীয়েকৰ ওচৰত দি দিয়ে।

ৰাধাই তাৰপাছৰ পৰা দিনত সদায় ভাল ভাল খোৱাৰ বস্তু বনাই খায়। কেতিয়াবা মিঠাই কেতিয়াবা পায়স। ভয়ত কেতিয়াও তাই গিৰিয়েকৰ আগত এই বিষয়ে কোৱা নাই।

এদিনাখন শিৱচৰনে ৰাতি যেতিয়া ঘৰত আহি আছিল তেতিয়া ওচৰ চুবুৰীয়াৰ এজনে ক'লে, “আজি মোৰ ঘৰত পূজা, প্ৰসাদ খাই যাওক। অৱশ্যে আমাৰ মিঠাই ইমান ভাল নহয়

শান্তনু বৰুৱা

যেনে ৰাধা বৌয়ে বনায় ।" কৈ তেঁওৰ হাতত তিনি চাৰিটা লাড্ডু দিয়ে ।

"মোৰ পত্নীয়ে তো সাধাৰন খোৱাবোৱা বনোৱাৰ বাহিৰেও আৰু বহু কিবাকিবি বনাব নে জানে ।" শিৱচৰনে ক'লে ।

"ককাই, কি কৈ আছে ? তাই সকলো ধৰনৰ খোৱাবোৱা বনাব জানে, মিঠাইও বনাব জানে। সেয়া তো গোন্ধৰ পৰাই কব পাৰি । মোৰ ঘৰীয়েকৰ পাকৰ পৰা তেনেকুৱা গোন্ধ কেতিয়াও নেপাও । মই কিমানবাৰ কৈছো তাইৰ ওচৰত গৈ ভাল মিঠাই বনোৱা শিখি অহাৰ বাবে ।" ওচৰ চুবুৰীয়াৰ মানুহজনে ক'লে।

শিৱচৰনে মানুহজনক একো নকয় । মনে মনে ঘৰত আহে । ৰাধাক একো নুসুধে । তেওঁ নিজৰ চকুৰে চাই ইয়াৰ প্ৰমান দেখিব বিচাৰে । পাছদিনাখনও আগৰ দৰে ঘৰৰ পৰা চহৰত যোৱাৰ বাবে ওলায় । কিন্তু অলপ সময়ৰ পাছত পিছ ফলে নিজৰ ঘৰত সুমাই লুকাই থাকে ।

সেইদিনাখন ৰাধাই লুচি তৰকাৰি আৰু আৰু ক্ষীৰ বনায় । মুগুৰ ডালিৰ লাড্ডু বনায় । তাৰপাছত খোৱা-বোৱা কৰি বাসন-বৰ্তন পৰিস্কাৰ কৰি এনেকুৱাকৈ ৰাখি দিয়ে যেন সেইবিলাকৰ ব্যৱহাৰেই হোৱা নাই । দীঘল আখ আনি কাটি খায় ।

শিৱচৰনে সকলোবোৰ দেখে, গোন্ধ পায়। তাৰপাছত এসময়ত সুযোগ পাই মনে মনে ঘৰৰ পৰা ওলাই যায় । বাহিৰত দূৰত গৈ নিজৰ ভৰিত কাপোড়ৰ পট্টি বান্ধে এনেকুৱাকৈ যেনে কিবা হৈছে । তাৰপাছত খুড়াঁই খুড়াঁই ঘৰত আহি সুমায় ।

ৰাধাই সুধে, "তোমাৰ ভৰিত কি হৈছে?"

"সাপে কাটিছে, আৰু কি হব?" শিৱচৰনে ক'লে ।

"বৰ ডাঙৰ সাপ আছিল নেকি?" ৰাধাই ভয়ে ভয়ে সুধে ।

"তোমাৰ কুগিয়াৰভাল যিমান দীঘল আছিল ঠিক তেনেকুৱা দীঘল । তোমাৰ লাড্ডুৰ নিচিনা মোৰ ভৰিটো গোল হৈ গৈছে । তোমাৰ ক্ষীৰৰ নিচিনা মুখৰ পৰা ফেন ওলাই আছে ।" শিৱচৰনে ক'লে ।

ৰাধাই ভয়খাই যায় এই বুলি যে গিৰিয়েকে তাইৰ সকলো গ'ম পালে । তাইৰ চেহেৰাত হালদি পৰি যায়, শৰীৰৰ পৰা ঘাম ওলাই থাকে।

তেতিয়া শিৱচৰনে তাইৰ মুখৰ ভাৱ বদলাই হাঁহিমুখত ক'লে, "ভয় খাব নেলাগে । ভুল মোৰেই । সাধ্য থকা সত্ত্বেও সাধাৰন শুকান খোৱাবোৱা খাই দেহ আৰু মনক কষ্ট দিয়াত কোনো লাভ নহয় । মানুহে অৰ্জন কৰে কিয়, কোৱা? আজিৰ পৰা মোৰ বাবেও ভাল ভাল খোৱা বস্তু আৰু মিঠাই বনাবা । গ'ম পালা ।"



# ফোটো
## নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰন দুই-তিনিটা শব্দেৰে হ'ব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। ২০০০ চনৰ মাৰ্চ মাহৰ।

ফোটো
নামকৰন
প্ৰতিযোগিতা
চন্দমামা
বডপলনী
চেন্নই-৬০০ ০২৬

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'ষ্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাৱ লাগিব।

### ছবিৰ শিৰোনামৰ পাতা

বিজয়ী প্ৰতিযোগী :
প্ৰ: যোথিকা গগৈ
এ/৩, আৰ. যি. বৰুয়া ৰোড,
গুৱাহাটী, অসম - ৭০০ ০৫২.

বিজয়ী নামকৰন :

**প্ৰথম ফটো : থিয় হৈছে ছাগলী**

**দিত্বীয় ফটো : মই সচাঁলৈকে বাঘ ন হয়**


চান্দমামাৰ বছৰেকীয়া বৰঙনি :
ভাৰতত ১২০.০০ টকা মাথোন

Payment in favour of CHANDAMAMA INDIA LIMITED for details address your enquiries to:
Publication Division, Chandamama Buildings, Vadapalani, Chennai–600 026

**SUBSCRIPTION AGENTS INVITED.**

Contact Circulation Manager, CHANDAMAMA INDIA LTD.
Chandamama Bldgs., Vadapalani, Chennai - 600 026.


Things you need on a learning curve.
Introducing Schoolnetindia.com. A portal that combines knowledge and wisdom for kids, parents and teachers. It has study materials. A digital library. Lesson banks. Tutorials. Online testing. Projects. And e-stories, poems and cartoons, advice on how to deal with special children, value education... in fact, on life's learning curve, it is an essential destination.
www.schoolnetindia.com
SCHOOLNET
Networked Learning ™
Technology. Content. Training.

CHANDAMAMA (Assamese) SEPTEMBER 2000 Registrar of Newspapers, India RN30278/76